# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-06-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***
**:::::::::::::::::::::::::::::::**

শাসনাধিস্থিত বিজেপিয়ে অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে অসমৰ পৰা কনাড পুৰকায়স্থক মনোনীত কৰিছে। বিজেপিৰ ৰাষ্ট্ৰীয় মহাসচিব অৰুণ কুমাৰ সিনহাই আজি প্ৰদেশ বিজেপিৰ জ্যেষ্ঠ নেতা কনাড পুৰকায়স্থৰ নাম আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। উল্লেখযোগ্য যে ১৯ জুনত অসমৰ পৰা ৰাজ্যসভাৰ দুখন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। কনাড পুৰকায়স্থ হৈছে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ পুত্ৰ। ৰাজ্যসভাৰ এই আসনখনৰ প্ৰতিদ্বন্দ্বিতাৰ বাবে বিজেপিৰ ১৩গৰাকী নেতাই আবেদন জনাইছিল। আমাৰ সংবাদদাতাই জনোৱা মতে অসমত ৰাজ্যসভাৰ দুখন আসনৰ এখন আসনত বিজেপিয়ে আৰু আনখনত অগপই প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে মিত্ৰদল দুটাই সিদ্ধান্ত গ্ৰহণ কৰিছিল। বিজেপিয়ে প্ৰাৰ্থী চূড়ান্ত কৰিলে যদিও এই পৰ্যন্ত অগপই প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। সোমবাৰ ৯ জুন হৈছে ৰাজ্যসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম দিন। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত অন্ত পৰিব।

০০০০

গুৱাহাটী মহানগৰৰ ৰূপনগৰত যোৱা নিশা ভূমিস্খলনৰ ঘটনা সংঘটিত হৈ এজন লোকৰ মৃত্যু হৈছে। ৰূপনগৰৰ পাহাৰৰ নামনিত থকা দুটা পৰিয়ালৰ বাসগৃহৰ ওপৰত পাহাৰৰ পৰা এটা প্ৰকাণ্ড শিল খহি পৰে। খহি পৰা শিল আৰু মাটিয়ে ৰেণু বৰ্মন আৰু বিনয় সিং নামৰ দুজন লোকৰ ঘৰ ধ্বংসস্তূপত পৰিণত কৰে। খহি পৰা মাটিৰ তলত মনেশ্বৰ ৰাজবংশী নামৰ এজন লোক আৱদ্ধ হৈ পৰে। ৰেণু বৰ্মনৰ তোলনীয়া পত্ৰ মনেশ্বৰ ৰাজবংশীক উদ্ধাৰৰ বাবে এছ ডি আৰ এফ আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে নিশাই অভিযান আৰম্ভ কৰে। প্ৰায় ১৫ ঘণ্টা অভিযানত অন্তত উদ্ধাৰকাৰী দলে মনেশ্বৰ ৰাজবংশীৰ মৃতদেহটো উদ্ধাৰ কৰে।

০০০০

অহা ৯ জুনত অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন অনুষ্ঠিত হ'ব। অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰৰ নাম ড০ ভূপেনা হাজৰিকা নামেৰে নামকৰণ সম্পৰ্কত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। এই অধিবেশনতে ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণৰো সম্ভাৱনা আছে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জিঅ' টেক্সটাইল প্ৰযুক্তিৰে নিৰ্মাণ কৰা ধেমাজী জিলাৰ জীয়াঢলৰ নৱনিৰ্মিত মথাউৰিটো পৰিদৰ্শন কৰে। ধেমাজী, চমৰাজান, জীয়াঢল, হাতীগড়, বাটঘৰীয়া আদি কেইবাটাও পঞ্চায়ত আৰু ধেমাজী নগৰৰ সুৰক্ষাৰ বাবে নিৰ্মাণ কৰা জীয়াঢলৰ নৱ নিৰ্মিত মথাউৰিটো পৰিদৰ্শন কৰি ডাঃ পেগুৱে মথাউৰিটোৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে নৈৰ জলস্তৰ বৃদ্ধিৰ পূৰ্বেই যাৱতীয় ব্যৱস্থা লবলৈ

জলসম্পদ বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে জলসম্পদ বিভাগৰ বিষয়া কৰ্মচাৰীৰ সৈতে বৰ্মন গাঁৱৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথলৈ প্ৰায় ৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিটো পৰিদৰ্শন কৰে।

০০০০

অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ মিয়াওত আলফা নেতা বিনোদ বৰা ওৰফে ৰূপম অসমক লৈ তিনিচুকীয়া আৰক্ষী, সেনা, অৰ্ধসামৰিক বাহিনীৰ যৌথ অভিযানত নগদ ১০ লাখ টকা উদ্ধাৰ হৈছে। যোৱা ২৪ মে'ত তিনিচুকীয়া আৰক্ষীয়ে আলফা স্বাধীনৰ সদস্য ৰূপম অসমক গ্ৰেপ্তাৰ কৰিছিল। অসমৰ লগতে অৰুণাচল প্ৰদেশত সংঘটিত বহুকেইটা কূটাঘাতৰ সৈতে ৰূপম অসম জড়িত আছিল। সম্প্ৰতি আলফা নেতাগৰাকী তিনিচুকীয়া আৰক্ষীৰ জিম্মাত আছে। পূৰ্বেও আলফা সদস্যগৰাকীয়ে লুকুৱাই থোৱা অস্ত্ৰ আৰক্ষীয়ে জব্দ কৰিছিল।

০০০০

সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ ধেমাজী জিলা সমিতিয়ে আজি ধেমাজী ৰাজহুৱা প্ৰেক্ষাগৃহত অভিনন্দন কাৰ্যসূচী অনুষ্ঠিত কৰি এইবাৰৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ জিলাখনৰ ৪৫০ গৰাকী শিক্ষাৰ্থীক সম্বৰ্ধনা জনায়। অভিনন্দন অনুষ্ঠানত উপস্থিত থাকি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কৃতী ছাত্ৰ-ছাত্ৰীসকলক সফল শৈক্ষিক ভৱিষ্যতৰ বাবে শুভেচ্ছা জনোৱাৰ লগতে মেধাৱী শিক্ষাৰ্থীসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে সোণোৱাল কছাৰী ছাত্ৰ সন্থাই এনেধৰণৰ সম্বৰ্ধনা কাৰ্যসূচীৰ আয়োজন কৰাৰ বাবে ছাত্ৰ সংগঠনটোৰ শলাগ লয়।

০০০০

লখিমপুৰ জিলা সুত সন্মিলনৰ উদ্যোগত আজি হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা জিলাখনৰ সুত সম্প্ৰদায়ৰ ১৬০ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সদৌ অসম সুত সন্মিলনৰ প্ৰাক্তন সভাপতি উদয় শংকৰ হাজৰিকাই সৰ্বভাৰতীয় জাতি হিচাপে সুত জাতিৰ ইতিহাসৰ ওপৰত আলোকপাত কৰে। সভাত অংশ গ্ৰহণ কৰি লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ডং লোহিত হাজৰিকাই কৃতী ছাত্ৰ-ছাত্ৰীসকলক জীৱন সংগ্ৰামত আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগায়।

০০০০

ধেমাজি জিলা কবি সন্মিলনৰ উদ্যোগত দিনযোৰা বিস্তৃত কাৰ্যসূচীৰে সন্মিলনৰ কেন্দ্ৰীয় অনুষ্ঠান **কাব্যনন্দিনী** অনুষ্ঠিত কৰে। এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ডেৰ কুৰিতকৈও অধিক প্ৰতিষ্ঠিত কবিয়ে স্বৰচিত কবিতা পাঠ কৰে।

০০০০

সমাপ্ত